# কংগ্ৰেছ পাৰ্টিৰ সংবাদ মাধ্যমৰ জড়িয়তে প্ৰৱল আক্ৰমণ

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

২০১৪ চনৰ সাধাৰণ নিৰ্বাচনলৈ মাত্ৰ ৩ মাহ বাকী । এই নিৰ্বাচন বিভিন্ন পৰ্য্যায়ত বিস্তৃত হ'ব । নিৰ্বাচনী জাননী মতে আশা কৰিব পাৰি যে নিৰ্বাচনী অভিযান মাৰ্চ মাহৰ শেষত আৰম্ভ হ'ব আৰু এপ্ৰিল আৰু মে ২০১৪ লৈকে চলি থাকিব । বিভিন্ন সংবাদ মাধ্যম যেনে খবৰ কাকত, দূৰদৰ্শন, আৰু বাহিৰত কংগ্ৰেছ দ'লৰ নিৰ্বাচনী বিজ্ঞাপন জানুৱাৰী মাহৰ পৰা দেখা যাব । নিৰ্বাচনী প্ৰচাৰ যথেষ্ট খৰচী বিষয় । বিজ্ঞাপনৰ নামত সাধাৰণ খৰচৰ বাহিৰে, বহুতো বিজ্ঞাপনত নিৰ্বাচনী শুল্কও থাকে । সেই বাবে মূল্য বহু গুণে বাঢ়ি যায় । সাধাৰণতে মনোনয়ন পত্ৰ দাখিল কৰাৰ পাছতে প্ৰচাৰৰ আৰম্ভ হয় আৰু প্ৰচাৰৰ বাবে অনুমতি দিয়া ২ টা সপ্তাহ তুংগত থাকে ।

কংগ্ৰেছ দ'লে বিজ্ঞাপনৰ নামত বৃহৎ বাজেট ৰাখিছে যিহেতু এই প্ৰচাৰ ৪ মাহ পৰ্য্যন্ত চলিব । বৃহৎ প্ৰস্তাৰিত বিজ্ঞাপনৰ বাহিৰেও সংবাদসমূহো কৌতুহলপূৰ্ণ হ'ব । কংগ্ৰেছ দ'লে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নোলোৱাৰ সিদ্ধান্ত লৈছে । কিন্ত এই অভিযান এজন ব্যক্তি কেন্দ্ৰীক হ'ব যি কংগ্ৰেছ দ'লৰ অৰৰুদ্ধ থকা প্ৰাৰ্থী হ'ব । এতিয়ালৈকে দেখা প্ৰচাৰত কিন্ত বৰ্ত্তমানৰ প্ৰধানমন্ত্ৰীৰ কোনো নাম উল্লেখ নাই । ইউ পি এ চৰকাৰৰ পৰিবেশনৰো কোনো উল্লেখ নাই । এই সকলো প্ৰচাৰ ৰাহুল গান্ধীৰ ওচৰে পাজৰে ঘূৰি আছে । যি কি নহওঁক ৰাহুল গান্ধী প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নহয় যিহেতু দ'লে এতিয়ালৈকে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ নাম ঘোষনা কৰা নাই । তেনেহ'লে এই অভিযান তেওঁক কেন্দ্ৰ কৰি কিয় হৈছে ?

ইয়াৰ উত্তৰ স্পষ্ট, কংগ্ৰেছে মানি ল'ব খোজা নাই যে তেওঁলোকে ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে প্ৰস্তুত কৰিছে । ইয়াৰ প্ৰতিকূল ফলাফলে তেওঁক দায়ী কৰিব । গতিকে তেওঁলোকে কাৰ্য্যৰত প্ৰাৰ্থীৰ বাবে আইনী প্ৰথাক বিকল্পিত কৌশল হিচাপে চেষ্টা কৰিছে । সাকাৰাত্মক ফলাফল পালে ৰাহুল গান্ধীৰ সু-নাম হ'ব আৰু নাকাৰাত্মক ফলাফলে কংগ্ৰেছ দ'লক শেষ কৰিব ।

কিছুদিন পূৰ্বে কংগ্ৰেছ দ'লে ৰাহুল গান্ধীৰ ছবি ভালভাৱে নিৰ্মাণৰ ব্যৱস্থাৰ বাবে বৃহৎ সংখ্যাৰ ধন খৰছ কৰাৰ কথা নাকচ কৰিছে । এতিয় দেখা গৈছে যে এই নাকচ ভুৱা আছিল । যদি প্ৰতিনিধি গৰাকীয়ে পৰিবেশনেই ভাল নকৰে তেনেহ'লে বিজ্ঞাপনৰ জড়িয়তে কাৰোবাৰ ভাল ছবি নিৰ্মাণ কৰিব পাৰিবনে ? নেতৃত্ব তেতিয়াহে ভাল হ'ব যেতিয়া তেওঁ ভাল পথেৰেও গতি কৰিব । বিপৰীত পৰিস্থিতিত তেওঁ লোক তাচ পাতৰ দৰে পৰি যাব । বজাৰত বিক্ৰী কৰিব পৰা বস্তুৰহে বজাৰত বিজ্ঞাপন কৰিব পাৰি, নহলে নোৱাৰি ।